

৭.৮ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ ভাৰতীয় আৰ্য ভাষাৰ বিকাশক কেইটা আৰু কি কি স্তৰত ভগাব পাৰি?

প্ৰশ্ন ২ ঃ কোনছোৱা সময়ক মধ্য ভাৰতীয় আৰ্যভাষাৰ বিকাশৰ সময় হিচাপে ধৰা হয়?

প্ৰশ্ন ৩ ঃ প্ৰাকৃত নামৰ অৰ্থ কি?

প্ৰশ্ন ৪ ঃ অশোকৰ অনুশাসনে ভাৰতীয় আৰ্যভাষাৰ কোনটো স্তৰৰ প্ৰতিনিধিত্ব কৰে?

প্ৰশ্ন ৫ ঃ মাহাৰাষ্ট্ৰী প্ৰাকৃতৰ গুৰুত্ব বিচাৰ কৰক।

প্ৰশ্ন ৬ ঃ মধ্য ভাৰতীয় আৰ্যভাষাৰ দ্বিতীয় স্তৰ বুলিলে কি ভাষাক বুজায়? এই স্তৰৰ সাধাৰণ বৈশিষ্ট্যবোৰ উল্লেখ কৰক।

*** ***** ***

পর্যন্ত। এই সুদীর্ঘ কালৰ ভাষা ৰূপটি সুস্থিৰ নহয় বুলি আলোচকসকলে ক'ব খোজে। সময়ে সময়ে এই সময়সীমাৰ বুকুতে বিভিন্ন ভাষিক-সাংস্কৃতিক পৰিৱর্তন ঘটিছে। আনহাতে ভৌগোলিকভাৱেও এই সময়ছোৱাত নানা আঞ্চলিক ৰূপৰ বিকাশ ঘটিছে।



৭.৫ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

[1] গোস্বামী, উপেন্দ্র নাথ. 2000 ঃ *অসমীয়া ভাষাৰ উদ্ভৱ, সমৃদ্ধি আৰু বিকাশ*। বৰুৱা এজেঞ্চি, গুৱাহাটী।

[2] ঠাকুৰ, নগেন, 1997 ঃ *পালি-প্রাকৃত-অপভ্রংশ ভাষা আৰু সাহিত্য*। বীণা লাইব্রেৰী, গুৱাহাটী¼

[3] শইকীয়া বৰা, লীলাৱতী, 2002 ঃ *সংস্কৃত, পালি-প্রাকৃত আৰু অসমীয়া ব্যাকৰণ*। বনলতা, গুৱাহাটী¼

বাংলা গ্ৰন্থ ঃ

[4] মজুমদার, পরেশচন্দ্র, 1917 ঃ *সংস্কৃত ও প্রাকৃত ভাষার ক্রমবিকাশ*।

[5] সেন, সুকুমার, 1968 ঃ *ভাষার ইতিবৃত্ত*।

ইংৰাজী গ্ৰন্থ ঃ

[6] Biswas, Sukumar, 1970 & *A Comparative Old Indo-Aryan Grammar*, Bani Prakash, Pathsala, Gauhati.

[7] Pischel, R. 1981 ঃ *A Grammar of the Prakrit Language.*

[8] Sen, S. 1960 ঃ *A Comparative Grammar of Middle Indo Aryan.*

[9] Woolner, Alfred Cooper, 1917 ঃ *Introduction to Prakrit*. University of Lahore.



৭.৬ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্রশ্নৰ উত্তৰ ঃ ভাৰতীয় আর্য ভাষাক তিনিটা যুগত ভাগ কৰিব পাৰি.....প্রাচীন ভাৰতীয় আর্য.....মধ্য ভাৰতীয় আর্য.....নব্য ভাৰতীয় আর্য।

২নং প্রশ্নৰ উত্তৰ ঃ প্রাকৃত ভাষাৰ বিখ্যাত ব্যাকৰণ ৰচক হেমচন্দ্রৰ মত.....সুকুমাৰ সেনৰ মত.....।

দেখুৱাইছে—

[1) উদীচ্য (North West),

[2) প্ৰতীচ্য (South West),

[3) মধ্যদেশীয় (Midland),

[4) প্ৰাচ্য (Eastern) আৰু

[5) দক্ষিণী (Southern)।

ভাষাতত্ত্ববিদ পণ্ডিত সুকুমাৰ সেনে আকৌ এই উপভাষাবোৰক চাৰিটা ভাগতহে ভাগ কৰিছে ঃ

[1) উত্তৰ-পশ্চিমা,

[2) দক্ষিণ পশ্চিমা,

[3) প্ৰাচ্য মধ্যা, আৰু

[4) প্ৰাচ্যা।

ইয়াৰ ভিতৰত দক্ষিণ-পশ্চিমা (South Western) ঔপভাষিক ৰূপটো আছিল বৈদিক-সংস্কৃতৰ অধিক ওচৰ চপা। এই উপভাষাত মূল বৈদিক ভাষাৰ ভালেমান বৈশিষ্ট্য ৰক্ষিত হৈছে। সেই হেতুকে এই প্ৰাকৃত উপভাষা আনবোৰৰ তুলনাত কিছু প্ৰাচীনধৰ্মী। গুজৰাটৰ জুনাগড়ত প্ৰাপ্ত অশোকৰ অনুশাসনত এই প্ৰাকৃতৰ নিদৰ্শন পোৱা যায়। আনহাতে প্ৰাচ্যা উপভাষা আটাইতকৈ বেছি বৈদিক-সংস্কৃতৰ পৰা আঁতৰি আহিছিল। এই সম্পৰ্কত সুনীতি কুমাৰ চট্টোপাধ্যায়ৰ নিম্নোক্ত মন্তব্যটি প্ৰণিধানযোগ্য— There cannot be any question that the dialects of the Aryan Language were losing their purity in the East, at a time when they would have preserved it better.



৭.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টিৰ অধ্যয়নৰ পৰা আমি ভাৰতীয় আৰ্য ভাষাৰ বিকাশৰ দ্বিতীয় স্তৰটোৰ পৰিচয় লাভ কৰিলোঁ।
- আনুমানিক খ্ৰীষ্ট পূৰ্ব 1500 শতিকাত ভাৰতবৰ্ষলৈ আৰ্যসকলৰ আগমন ঘটিছিল। একাধিক ক্ষুদ্ৰ ক্ষুদ্ৰ দলত বিভক্ত হৈ অহা আৰ্যসকলে প্ৰথমে উত্তৰ-পশ্চিম সীমান্ত অঞ্চল তথা পশ্চিম পাঞ্জাৰ, তাৰ পিছত ক্ৰমে পূব পাঞ্জাৰ আৰু মধ্যদেশ আৰু লাহে লাহে কোশল, মগধ, বিদেহ-বঙ্গ-কামৰূপ পৰ্যন্ত বিয়পি পৰিছিল।
- মধ্যভাৰতীয় আৰ্য ভাষাৰ ব্যাপ্তিকাল আনুমানিক 600 খ্ৰীষ্টপূৰ্বৰ পৰা 1000 খ্ৰীষ্টাব্দ

অর্থাৎ, অক্ষৰ উচ্চাৰণৰ কাল-পৰিমাপ (Duration) মাত্রাৰ ওপৰত নির্ভৰশীল হৈ পৰিল।

- প্রাচীন ভাৰতীয় আর্য ভাষাত কবিতাৰ পংক্তিৰ অন্ত্যমিল নাছিল; মধ্য ভাৰতীয় আর্য ভাষাত ভাষাত অন্ত্যমিলে এক বিশেষ লক্ষণ হিচাপে আত্মপ্রকাশ কৰিলে।

(ঙ) শব্দমূলক বৈশিষ্ট্য ঃ

ভাৰতীয় আর্যভাষাৰ বিকাশৰ বিভিন্ন সময়ত সমসাময়িক ভাৰতত প্রচলিত বিভিন্ন আর্যভিন্ন ভাষাৰ পৰা ভালেমান শব্দ আর্য ভাষাত সোমাই পৰিছিল। সেই বাবে মধ্য ভাৰতীয় আর্য ভাষাত বৈদিক স্তৰত নথকা অনেক নতুন শব্দৰ ব্যৱহাৰ পোৱা যায়। যেনে— কুট্টি, কুক্ক, চঙ্গ, চিক্কণ, ছইল্ল, ঢোল্ল, ঢিল্ল, মুদ্দ, সাহি, হোৰ, সমিত, সুৰঙ্গি, তবেল্লা, ইত্যাদি।

৭.৩.২ মধ্যভাৰতীয় আর্যভাষাৰ আঞ্চলিক বৈচিত্র্য

ওপৰত দিয়া তালিকাখন (2নং)ত মধ্য ভাৰতীয় আর্য ভাষাৰ আদি স্তৰকালীন ভাৰতৰ চাৰিটা প্রধান উপভাগ বা আঞ্চলিক ৰূপৰ কথা উল্লেখ কৰা হৈছে। এই ৰূপবোৰক ভাৰতীয় আর্যভাষাই দৈনন্দিন বাগ্ব্যৱহাৰত জনসাধাৰণৰ মুখ বাগৰি বিৱর্তনৰ গতিত সৃষ্টি হোৱা আঞ্চলিক প্রকাৰ বুলিব পাৰি। ভাষাতত্ত্ববিদ, সাহিত্য সমালোচক নগেন ঠাকুৰে দেখুওৱা মতে এই আঞ্চলিক ৰূপকেইটাই হ'ল পৰৱর্তী প্রাকৃত ভাষাৰ উৎস তথা প্রাচীনতম ৰূপ। তলত সিবোৰৰ চমু আভাস দাঙি ধৰা হৈছে—

উত্তৰ-পশ্চিমা বা গান্ধাৰ উদীচ্যা (North-West) ঃ এই উপভাষা এটা সময়ত প্রাচীন গান্ধাৰ তথা বর্তমান পাকিস্তানৰ অন্তর্গত ৰাৱালপিণ্ডি, ভাৰতৰ পাঞ্জাৱ-সিন্ধু অঞ্চলকে ধৰি সমগ্র উত্তৰ-পশ্চিম অঞ্চলত প্রচলিত আছিল। অশোকৰ শাহ্বাজগঢ়ী আৰু মান্ছেহ্ৰা অনুশাসনত ইয়াৰ নিদর্শন পোৱা গৈছে।

পশ্চিমা বা সৌৰাষ্ট্র-প্রতীচ্যা ঃ একালত প্রাচীন সৌৰাষ্ট্র তথা বর্তমানৰ গুজৰাট-ৰাজস্থান অঞ্চলত প্রচলিত মধ্য ভাৰতীয় আর্য ভাষাৰ আদি স্তৰৰ ভাষাৰূপ। অশোকৰ গীর্ণাৰ আৰু সোপাৰা অনুশাসনত এই আঞ্চলিক ভেদৰ নিদর্শন ৰক্ষিত হৈছে।

দক্ষিণী ঃ অতীতৰ বিদর্ভ-মহাৰাষ্ট্র অঞ্চলত কথিত উপভাষা। অন্ধ্রপ্রদেশৰ ইয়েৰ্ৰাগুড়িত প্রাপ্ত অশোকৰ অনুশাসনে এই উপভাষাৰ স্বাক্ষৰ বহন কৰি আছে।

মধ্যদেশীয় বা প্রাচ্য-মধ্যা ঃ একালৰ অৱন্তী, শূৰসেন, কুৰু, পাঞ্চাল আদি অঞ্চলত অর্থাৎ সৰস্বতী নদীৰ পৰা গংগা-যমুনা উপত্যকা পর্যন্ত প্রচলিত উপভাষাৰ নাম দিয়া হৈছে প্রাচ্যা-মধ্যা। অশোকৰ কাল্ছী আৰু তোপ্ৰা অনশাসনত ইয়াৰ নিদর্শন আছে।

প্রাচ্যা ঃ প্রাচীন কোশল-মগধ অঞ্চলত অর্থাৎ বর্তমানৰ অযোধ্যা-সাকেতকে ধৰি পাটনা-গয়া আদি পূব অঞ্চলত প্রচলিত উপভাষা। ওড়িশাৰ পুৰী জিলাৰ ধৌলী আৰু জৌগড়ত খোদিত অশোকৰ অনুশাসনত এই আঞ্চলিক ভাষাৰূপ পোৱা গৈছে।

মন কৰিবলগীয়া, এই ভাগকেইটা পণ্ডিত সুনীতি কুমাৰ চট্টোপাধ্যায়ে এইদৰে

- অন্ত্যব্যঞ্জন লোপ পোৱাৰ ফলত ব্যঞ্জনান্ত শব্দবোৰো অ-কাৰান্ত শব্দৰ দৰেই ৰূপ হ'বলৈ ল'লে। উদাহৰণস্বৰূপে— 'কর্মণ্' শব্দৰ 4র্থীৰ একবচনৰ 'কর্মণে'-ৰ ঠাইত কর্মায় > কম্মায় হ'ল।
- মধ্য ভাৰতীয় আৰ্য ভাষাত দ্বিবচন লুপ্ত হ'ল। ফলস্বৰূপে এই স্তৰত বচন মাত্ৰ দুটা থাকিল,— একবচন আৰু বহুবচন। দ্বিবচনৰ ঠাইত বহুবচনৰ ৰূপ ব্যৱহৃত হ'ল, যেনে— দ্বৌ ময়ূৰৌ > দো মোৰা।
- মধ্য ভাৰতীয় আৰ্য ভাষাত বিশেষ্য আৰু সর্বনামৰ ৰূপৰ পার্থক্য নোহোৱা হ'ল।
- পদান্ত ব্যঞ্জন লোপ হোৱাৰ ফলত পুংলিঙ্গ আৰু ক্লীৱলিংগৰ পার্থক্য লোপ পালে।
- ধাতুৰূপৰ ক্ষেত্ৰতো সৰলতা লক্ষণীয়। প্ৰাচীন ভাৰতীয় আৰ্য ভাষাত ধাতুবোৰ অদাদি, তুদাদি, ভ্বাদি, দিবাদি প্ৰভৃতি দহোটা গণ বা শ্ৰেণীত বিভক্ত আছিল আৰু গণ অনুযায়ী ধাতুৰ ৰূপ ভিন ভিন আছিল। কিন্তু মধ্য ভাৰতীয় আৰ্য ভাষাৰ পালিৰ স্তৰত সাতোটা আৰু সাহিত্যিক প্ৰাকৃতৰ স্তৰত মাত্ৰ তিনিটা গণ ৰক্ষিত হ'ল। তদুপৰি প্ৰায় সকলো ধাতুকেই ভ্বাদিগণীয়ৰ দৰে ৰূপ কৰাৰ প্ৰৱণতা দেখা গ'ল।
- প্ৰাচীন ভাৰতীয় আৰ্য ভাষাত ক্ৰিয়াৰূপ আছিল দুই প্ৰকাৰৰ— আত্মনেপদ আৰু পৰস্মৈপদ। মধ্য ভাৰতীয় আৰ্য ভাষাত আত্মনেপদ লোপ পালে। আনকি কর্মভাববাচ্যতো পৰস্মৈপদী বিভক্তিৰ প্ৰয়োগ হ'বলৈ ল'লে। পুৰণি স্তৰৰ ভাষা হিচাপে পালি আৰু অশোক অনুশাসনৰ ভাষাত ঠায়ে ঠায়ে আত্মনেপদৰ (উদাহৰণ— আৰভৰে, অনুৱভৰে আদি) ব্যৱহাৰো লক্ষ্য কৰা যায়।
- প্ৰাচীন ভাৰতীয় আৰ্য ভাষাত ক্ৰিয়াৰ ভাব (Mood) আছিল পাঁচটা— নির্দেশক (Indicative), অনুজ্ঞা বা লোট (Imperative), অভিপ্ৰায় (Subjunctive), নির্বন্ধ (Injunctive) আৰু সম্ভাবক বা বিধিলিঙ (Optative)। মধ্য ভাৰতীয় আর্যৰ স্তৰত এইবোৰৰ মাজৰ অভিপ্ৰায় আৰু নির্বন্ধ ভাব লোপ পালে। তেনেদৰে অতীত কালসূচক লঙ্, লিট্, লুঙ্ মধ্য ভাৰতীয় আৰ্য ভাষাত লোপ পাইছে।

(গ) বাক্য-গঠনগত বৈশিষ্ট্য ঃ

- প্ৰাচীন ভাৰতীয় আৰ্য ভাষাত প্ৰতিটো কাৰকৰ বিভক্তি নির্দিষ্ট আছিল। ফলত বাক্যৰ মাজত কোনো এটা পদ য'তেই নবহক —তাৰ বিভক্তি চায়েই কাৰক চিনিব পৰা গৈছিল। কিন্তু মধ্য ভাৰতীয় আৰ্য ভাষাত ভালেমান বিভক্তিৰ চিহ্ন লোপ পালে। ফলত বাক্যত পদবিন্যাসক্ৰমৰ নিয়মৰ গুৰুত্ব বৃদ্ধি পালে।
- কোনো কোনো বিভক্তি লোপ পোৱাৰ ফলত বিভক্তিৰ অর্থ প্ৰকাশ কৰিবলৈ কেতবোৰ স্বতন্ত্ৰ শব্দ বা প্ৰত্যয়ৰ ব্যৱহাৰ হ'ল, তথা অনুসর্গৰ প্ৰচলন হ'ল।

(ঘ) ছন্দোৰীতিগত বৈশিষ্ট্য ঃ

- প্ৰাচীন ভাৰতীয় আৰ্য ভাষাতঅক্ষৰ-সংখ্যাৰ ওপৰত ভিত্তি কৰি ছন্দৰ ৰীতি নির্ণিত হৈছিল (অক্ষৰমূলক ছন্দ)। কিন্তু মধ্য ভাৰতীয় আৰ্য ভাষাত ছন্দহৈ পৰিল মাত্ৰামূলক;

- 'অয়' আৰু 'অৱ' দ্ব্যক্ষৰ ধ্বনি দুটা ক্ৰমে 'এ' আৰু 'ও'-ত পৰিণত হ'ল, যেনে—

  অয় > এ ঃ পূজয়তি > পূজেতি, পূজেদি,

  অৱ > ও ঃ অৱহসিত > ওহসিদ, ভবতি > ভোদি, হোদি।

- পদান্ত অনুস্বাৰৰ পূর্বৱর্তী তথা যুক্ত ব্যঞ্জনৰ পূর্বৱর্তী দীর্ঘস্বৰ হ্ৰস্বস্বৰলৈ ৰূপান্তৰিত হ'ল, যেনে—

  কান্তাম্ > কন্তং, দীর্ঘ > দিগ্‌ঘ।

  (উদাহৰণ দুটাত দেখা গ'ল - 'ম্ > ং' হৈছে, আৰু পূর্বৱর্তী - আ আৰু 'ঈ' ক্ৰমে হ্ৰস্বস্বৰ 'অ' আৰু 'ই'-লৈ পতিৰৱর্তিত হৈছে।)

- পদান্তস্থিত বিসর্গযুক্ত অ-কাৰ (অঃ) অন্য প্ৰাকৃতত ও-কাৰ হ'ল। মাগধীত কিন্তু এ-লৈ ৰূপান্তৰিত হ'ল, যেনে— জনঃ > জনো, কিন্তু এষঃ > এশে (মাগধী)। পদমধ্যস্থিত বিসর্গ লোপ পালে।

- অনুস্বাৰ (ং)-ৰ বাহিৰে সকলো পদান্ত ব্যঞ্জন লোপ পালে, যেনে— নৰাৎ > নৰা; তাৱৎ > তাব। পদান্ত -ম্ অনুস্বাৰলৈ পৰিৱর্তিত হ'ল, যেনে— নৰম্ > নৰং।

- প্ৰাচীন ভাৰতীয় আর্য ভাষাৰ শ, স, ষ —এই শিশ্ ধ্বনিকেইটা মাগধী প্ৰাকৃতত 'শ' আৰু পালি তথা আন প্ৰাকৃতত 'স'-ৰূপে ৰক্ষিত হৈছে, যেনে—শিষ্য > সিস্‌স, এষ > এশ।

- মধ্য ভাৰতীয় আর্য ভাষাৰ দ্বিতীয় স্তৰত দুটা স্বৰৰ মধ্যৱর্তী একক ব্যঞ্জন অল্পপ্ৰাণ হ'লে লোপ পায় আৰু তাৰ ঠাইত কেতিয়াবা য়ঢ়ৰ শ্রুতি ধ্বনিৰ আগম হয়, যেনে— সকল > সঅল > সয়ল। আনহাতে একক ব্যঞ্জনটো মহাপ্ৰাণ হ'লে হ-লৈ ৰূপান্তৰিত হয়, যেনে— মুখঢ়মুহ।

- মুর্ধন্যীভৱন এই স্তৰৰ ভাষাৰ বিশেষ বৈশিষ্ট্য, যেনে— কৃত > কট।

- ক্ষ ধ্বনি প্ৰাকৃতভেদে ভিন ভিন ধৰণে পৰিৱর্তিত হ'ল, যেনে—

  ক্ষ > ছ, চ্ছ ঃ অক্ষি > অচ্ছি (মাহাৰাষ্ট্ৰী);

  ক্ষ > খ, ক্‌খ ঃ ক্ষুদ্র > খুদ্দ, মোক্ষ > মোক্‌খ (শৌৰসেনী);

  ক্ষ > শ্‌ক ঃ প্রেক্ষ > পেশ্‌ক (মাগধী)।

- পদমধ্যস্থিত সংযুক্ত ব্যঞ্জনৰ সমীভৱন (বিষম ধ্বনিৰ সমধ্বনিলৈ ৰূপান্তৰণ) প্ৰাকৃত স্তৰৰ সাধাৰণ বৈশিষ্ট্য। যেনে— ভক্ত > ভত্ত, ধর্ম > ধম্ম, > অদ্য > অজ্জ।

(খ) ৰূপতাত্ত্বিক বৈশিষ্ট্য ঃ

ধ্বনিগত দিশৰ দৰে ৰূপতাত্ত্বিক দিশতো প্ৰাচীন ভাৰতীয় আর্য ভাষাৰ তুলনাত মধ্য. ভাৰতীয় আর্য ভাষা অনেক গুণে সৰল হ'ল।

- প্ৰাচীন ভাৰতীয় আর্য ভাষাত শব্দৰ শেষৰ ধ্বনি অনুসৰি শব্দৰূপ ভিন ভিন হৈছিল। মধ্য ভাৰতীয় আর্যৰ স্তৰত আ-কাৰান্ত, ই-কাৰন্ত আৰু উ-কাৰন্ত শব্দৰ বাহিৰে সকলো শব্দ অ-কাৰান্তৰ (যেনে— 'নৰ' শব্দ) দৰে ৰূপ হ'বলৈ ল'লে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ ভাৰতীয় আৰ্য ভাষাৰ যুগ বিভাজন কেনেদৰে কৰা হৈছে ? (10 0টামান শব্দৰ ভিতৰত)

.....

প্রশ্ন নং ২ ঃ 'প্রাকৃত' নামৰ তাৎপর্য কি ?

(75টামান শব্দৰ ভিতৰত)

.....

৭.৩.১ মধ্য ভাৰতীয় আৰ্য ভাষাৰ সাধাৰণ বৈশিষ্ট্য

মধ্য ভাৰতীয় আৰ্য ভাষাৰ বিভিন্ন স্তৰত যিবোৰ আঞ্চলিক ৰূপ গঢ় লৈ উঠিছিল সেইবোৰৰ প্রত্যেকৰে কিছু স্বতন্ত্র ভাষাতাত্ত্বিক বৈশিষ্ট্য আছিল। কিন্তু এই উপভাষা বা আঞ্চলিক ৰূপবোৰ সামৰি মধ্য ভাৰতীয় আৰ্য ভাষাৰ কিছুমান সাধাৰণ ভাষাতাত্ত্বিক বৈশিষ্ট্যও পৰিলক্ষিত হৈছিল। তলত সেইবোৰৰ আলোচনা দাঙি ধৰা হৈছে।

(ক) ধ্বনিতাত্ত্বিক বৈশিষ্ট্য ঃ

- প্রাচীন ভাৰতীয় আৰ্য ভাষাৰ 'ঋ', 'ৠ' আৰু '9', 9^9 মধ্য ভাৰতীয় আৰ্য ভাষাত লোপ পালে। ঋ-কাৰ অন্য স্বৰধ্বনিলৈ ৰূপান্তৰিত হ'ল, যেনে—

  ঋ > অ,ই,উ,এ ঃ মৃগ > মগ, মিগ, মুগ.
  ঋষি > ইসি,
  বৃদ্ধ > বুড্ঢ, ঋষভ > উসহ,
  গৃহ > গেহ,

  ঋ > ৰ,ৰি,ৰু ঃ বৃক্ষ > ৰ্চ্ছ, ৰুচ্ছ,
  ঋদ্ধি > ৰিদ্ধি, ঋণ > ৰিণ।

- ঐ আৰু ঔ এই দ্বিস্বৰ দুটা ক্রমে 'এ' আৰু 'ও'-ত পৰিণত হ'ল, যেনে—

  ঐ > এ ঃ তৈল > তেল্ল, বৈৰ >বেৰ,
  ঔ > ও ঃ ঔষধ > ওসধ, যৌৱন > জোব্বণ।

  সংযুক্ত ব্যঞ্জনৰ পূর্বৱর্তী ঐ > ই আৰু ঔ > উ হ'ল, যেনে—

  ঐ > ই ঃ সৈন্ধৱ > সিন্ধৱ,
  ঔ > উ ঃ মৌক্তিকম্ > মুত্তিঅং।

  কেতিয়াবা ঐ > অই আৰু ঔ > অউ হোৱাও দেখা গ'ল, যেনে—

  ঐ > অই ঃ কৈতৱ > কইঅৱ,
  ঔ > অউ ঃ যৌৱন ঃ জউঅণ।

মুঠৰ ওপৰত বৈদিক ভাষা বা তাৰ কথ্যৰূপৰ বিভিন্ন উপভাষাবোৰে সময়ৰ লগে লগে সাধাৰণ জনগণৰ মুখ বাগৰি স্বাভাৱিক গতিৰে পৰিৱর্তিত হৈ যি ৰূপ লাভ কৰিছিল সিয়েই প্রাকৃত ভাষা।

মধ্য ভাৰতীয় আর্যভাষাৰ ব্যাপ্তিকাল আনুমানিক 600 খ্রীঃ পূর্বৰ পৰা 1000 খ্রীঃ পর্যন্ত। এই সুদীর্ঘ কালৰ ভাষাৰূপটিও কিন্তু সুস্থিৰ নহয়। সময়ে সময়ে এই সময়সীমাৰ বুকুতে বিভিন্ন ভাষিক-সাংস্কৃতিক পৰিৱর্তন ঘটিছে। আনহাতে ভৌগোলিকভাৱেও এই সময়ছোৱাত নানা আঞ্চলিক ৰূপৰ বিকাশ ঘটিছে। ভাষাতাত্ত্বিক পণ্ডিতসকলে এই আঞ্চলিক ৰূপ বা উপভাষাবোৰক পৃথক পৃথক নামেৰে অভিহিত কৰিছে। মধ্যভাৰতীয় আর্য ভাষাৰ সামগ্রিক ধাৰণা এটা কৰাত তলৰ তালিকাখনে আপোনাক নিশ্চয় সহায় কৰিব ঃ

তালিকা নং ৪.২

স্তৰ	সময়	আঞ্চলিক ৰূপ	প্রধান নিদর্শন
1) আদিস্তৰ ঃ প্রত্নলিপিৰ প্রাকৃত আৰু পালি সাহিত্য	আনুমানিক খ্রীষ্ট পূর্ব ষষ্ঠ শতিকাৰ পৰা খ্রীষ্টীয় প্রথম শতিকা পর্যন্ত	ক) উত্তৰ-পশ্চিমা	অশোকৰ শাহ্বাজ্গঢ়ী, মান্ছেহ্ৰা অনুশাসন
		খ) দক্ষিণ-পশ্চিমা	গিৰ্নাৰ অনুশাসন
		গ) প্রাচ্য-মধ্যা	কাল্ছী অনুশাসন
		ঘ) প্রাচ্যা	ধৌলী আৰু জৌগড় অনুশাসন
	আনুমানিক খ্রীঃপূঃ 200 – শতিকাৰ পৰা খ্রীষ্টীয় প্রথম শতিকা	বৌদ্ধধর্মৰ বাহক কৃত্রিম সাহিত্যিক ভাষাÐ পালি	বৌদ্ধ হীনযান সম্প্রদায়ৰ সাহিত্যৰ মাজত (পালি সাহিত্য)
2) মধ্যস্তৰ বা দ্বিতীয় স্তৰ ঃ সাহিত্যিক প্রাকৃত	আনুমানিক খ্রীষ্টিয় প্রথম শতিকাৰ পৰা খ্রীষ্টিয় ষষ্ঠ শতিকা পর্যন্ত	মাহাৰাষ্ট্রী প্রাকৃত শৌৰসেনী প্রাকৃত মাগধী প্রাকৃত অর্ধ-মাগধী প্রাকৃত পৈশাচী প্রাকৃত	প্রাকৃত কাব্য আৰু সংস্কৃত নাটকৰ গীতৰ ভাষা, সংস্কৃত নাটকৰ নাৰী আৰু মধ্যম শ্রেণীৰ চৰিত্রৰ মুখৰ ভাষা, নিম্ন শ্রেণীৰ চৰিত্রৰ মুখৰ ভাষা, সুবিস্তৃত জৈন-সাহিত্য, প্রাকৃত প্রকাশ আদি ব্যাকৰণ
3) অন্ত্যস্তৰ বা তৃতীয় স্তৰ ঃ অপভ্রংশ আৰু অৱহট্ঠ	আনুমানিক খ্রীষ্টীয় ষষ্ঠ শতিকাৰ পৰা খ্রীষ্টীয় দশম শতিকা পর্যন্ত	পৈশাচী অপভ্রংশ, মাহাৰাষ্ট্রী অপভ্রংশ, শৌৰসেনী অপভ্রংশ, মাগধী অপভ্রংশ, অর্ধ-মাগধী অপভ্রংশ	আখ্যান কাব্য, দার্শনিক কাব্য, গীতি-কবিতা, নীতি কবিতা আদি

সীমান্ত অঞ্চল তথা পশ্চিম পঞ্জাৱ, তাৰ পিছত ক্ৰমে পূব পঞ্জাৱ আৰু মধ্যদেশ আৰু লাহে লাহে কোশল, মগধ, বিদেহ-অঙ্গ-বঙ্গ-কামৰূপ পৰ্যন্ত বিয়পি পৰিছিল।

আৰ্যসকলে লগত লৈ আহিছিল এটি উন্নত ভাষা আৰু সেই ভাষাৰ সাহিত্য। ভাৰতবৰ্ষলৈ অহা আৰ্যসকলৰ প্ৰতিটো দলৰ সুকীয়া উপভাষা আছিল আৰু ইয়াৰে কোনোবাটো উপভাষাত বা উপভাষাবোৰৰ এক সাহিত্যিক ৰূপ, অৰ্থাৎ 'সাধুভাষা'ত 'ঋগ্বেদ' ৰচিত হৈছিল। ঋগ্বেদেই ভাৰতীয় আৰ্য ভাষাৰ প্ৰাচীনতম নিদৰ্শন। যশস্বী পণ্ডিত সুকুমাৰ সেনে অনুমান কৰে যে, 1000 খ্ৰীষ্ট পূৰ্বৰ ওচৰা-উচৰি কোনো এক সময়ত ঋগ্বেদ সংকলিত হৈছিল।

এই আৰ্যসকলৰ মূল ভাষাৰ পৰাই ঐতিহাসিক বিৱৰ্তনৰ ফলত বৰ্তমান ভাৰতৰ অসমীয়া, বাংলা, ওড়িআ, মৈথিলী, হিন্দী, গুজৰাটী ইত্যাদি আধুনিক ভাষাবোৰৰ বিকাশ হৈছে। ভাৰতীয় আৰ্যভাষাৰ বিভিন্ন যুগৰ কালগত সীমা, যুগগত নাম এনেদৰে উপস্থাপন কৰিব পাৰি ঃ

তালিকা নং ৪.১

	যুগ	কালগত সীমা	যুগগত নাম
1)	প্ৰাচীন ভাৰতীয় আৰ্য Old Indo-Aryan (OIA)	আনুমানিক 1500 খ্ৰীঃ পূঃৰ পৰা 600 খ্ৰীঃ পূঃ পৰ্যন্ত	বৈদিক ভাষা বা বৈদিক-সংস্কৃত ভাষা।
2)	মধ্য ভাৰতীয় আৰ্য Middle Indo-Aryan (MIA)	আনুমানিক 600 খ্ৰীঃ পূঃৰ পৰা 1000 খ্ৰীষ্টাব্দ পৰ্যন্ত	প্ৰাকৃত ভাষাৰযুগ বা পালি-প্ৰাকৃত অপভ্ৰংশ ভাষা-সাহিত্যৰ যুগ।
3)	নব্য ভাৰতীয় আৰ্য New Indo-Aryan (NIA)	আনুমানিক 1000 খ্ৰীষ্টাব্দৰ পৰা বৰ্তমান পৰ্যন্ত	সমগ্ৰ উত্তৰ, পশ্চিম, পূব আৰু মধ্য ভাৰতৰআৰ্যভাষী লোকসকলৰ মুখৰ ভাষা আৰু সাহিত্য।

এই অধ্যায়টিত মূলতঃ মধ্য ভাৰতীয় আৰ্যভাষাৰ যুগৰ বিষয়েহে আলোচনা কৰা হৈছে।

মধ্যভাৰতীয় আৰ্য ভাষাৰ স্তৰবিভাগ ঃ খ্ৰীষ্ট পূৰ্ব 600 শতিকামানত ভাৰতীয় আৰ্য ভাষাৰ ধ্বনিগত, ৰূপগত তথা ব্যাকৰণগত স্বৰূপ বেদৰ ভাষাৰ পৰা পৃথক হৈ পৰিল। প্ৰকৃতাৰ্থত ভাষা স্বাভাৱিক গতিৰেই সৰল আৰু সহজ ৰূপলৈ পৰিৱৰ্তন হৈ গৈ থাকে। গতিকে ভাৰতীয় আৰ্য ভাষাই জনগণৰ দৈনন্দিন ব্যৱহাৰত এনেদৰেই সৰলতামুখী পৰিৱৰ্তন লাভ কৰি অন্য এক ভাষিক যুগৰ সূচনা কৰিলে। এই যুগটিৰ নাম দিয়া হৈছে মধ্য ভাৰতীয় আৰ্য ভাষা। সাধাৰণভাৱে এই যুগটিক 'প্ৰাকৃত ভাষাৰ যুগ' বোলাও হয়।

'প্ৰাকৃত' নামৰ তাৎপৰ্য ঃ প্ৰাকৃত ভাষাৰ বিখ্যাত ব্যাকৰণকাৰ হেমচন্দ্ৰৰ মতে 'প্ৰকৃতি' শব্দৰ অৰ্থ হ'ল মূল উপাদান। ভাৰতীয় আৰ্যভাষাৰ ক্ষেত্ৰত এই মূল উপাদান হ'ল বৈদিক ভাষা। এই মূল উপাদানৰ পৰা উদ্ভৱ হোৱা ভাষাই প্ৰাকৃত। আনহাতে সুকুমাৰ সেনৰ মতে প্ৰাকৃত নামটিৰ প্ৰকৃত তাৎপৰ্য হ'ল 'প্ৰকৃতি' অৰ্থাৎ জনসাধাৰণৰ দ্বাৰা ব্যৱহৃত ভাষা। কোনো কোনো পণ্ডিতৰ মতে আকৌ প্ৰকৃতিৰ অৰ্থ নিসৰ্গ বা স্বাভাৱিক (Natural); গতিকে স্বভাৱজাত ভাষাই প্ৰাকৃত।

অধ্যায় ৭ ঃ মধ্য ভাৰতীয় আর্যভাষা

অধ্যায় গাঁথনি

7.1 উদ্দেশ্য
7.2 পৰিচয়
7.3 মধ্য ভাৰতীয় আর্যভাষাৰ পৰিচয়, স্তৰ বিভাগ আৰু বৈশিষ্ট্য
  7.3.1 মধ্য ভাৰতীয় আর্যভাষাৰ সাধাৰণ বৈশিষ্ট্য
  7.3.2 মধ্য ভাৰতীয় আর্যভাষাৰ আঞ্চলিক বৈচিত্র্য
7.4 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
7.5 অধিক জানিবলৈ
7.6 অগ্রগতিৰ খতিয়ান (কৰল ৰূপৰেখা)
7.7 আৰ্হি প্রশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- মধ্য ভাৰতীয় আর্য ভাষাৰ পৰিচয় লাভ কৰিব পাৰিব
- মধ্য ভাৰতীয় আর্য ভাষাৰ স্তৰ বিভাজন সম্পর্কে আলোচনা কৰিব পাৰিব
- মধ্য ভাৰতীয় আর্য ভাষাৰ বৈশিষ্ট্যসমূহ বিশ্লেষণ কৰিব পাৰিব
- মধ্য ভাৰতীয় আর্য ভাষাৰ আঞ্চলিক বৈচিত্র্যৰ বিষয়ে আলোচনা আগবঢ়াব পাৰিব।

৭.২ পৰিচয়

ইয়াৰ আগৰ অৰহট্‌ঠ সাহিত্য পাঠ শীর্ষক অধ্যায়টোত বিদ্যাপতিৰ কীর্তিলতাৰ প্রথমৰ পৰা পঞ্চম গাথালৈকে কৰা আলোচনা পঢ়িলে। এতিয়া আমি মধ্য ভাৰতীয় আর্য ভাষাৰ পৰিচয়, স্তৰ বিভাজন আৰু বৈশিষ্ট্যসমূহৰ বিষয়ে 'মধ্য ভাৰতীয় আর্য ভাষা' শীর্ষক পাঠত পঢ়িবলৈ পাম। আহকচোন, আমি এই পাঠৰ আলোচনালৈ আগবাঢ়োঁ।

৭.৩ মধ্য ভাৰতীয় আর্য ভাষাৰ পৰিচয়, স্তৰ বিভাগ আৰু বৈশিষ্ট্য

পালি-প্রাকৃত-অপভ্রংশ ভাষা বুলিলে ভাৰতীয় আর্য ভাষাৰ বিকাশৰ দ্বিতীয় স্তৰ, অর্থাৎ মধ্য ভাৰতীয় আর্য ভাষাৰ স্তৰটোক বুজা যায়। বিষয়টোৰ এটা সম্যক ধাৰণা পাবৰ বাবে আপুনি ভাৰতবর্ষলৈ আর্যসকলৰ আগমনৰ ইতিহাসলৈ উভতি যাব লাগিব।

আনুমানিক খ্রীষ্ট পূর্ব 1500 শতিকাত ভাৰতবর্ষলৈ আর্যসকলৰ আগমন হয়। আর্যসকল ভাৰতলৈ আহোঁতে একাধিক ক্ষুদ্র ক্ষুদ্র দলত বিভক্ত হৈ আহিছিল আৰু প্রথমে উত্তৰ-পশ্চিম